# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ৬৮/২০২০

## কেন্দ্ৰীয় নিয়ন্ত্ৰণ কক্ষ স্থাপনেৰে কাৰিকৰী আসোঁৱাহ আঁতৰাই নিয়মীয়া বিদ্যুৎ সেৱা নিশ্চিত কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১৫ ফেব্ৰুৱাৰী ঃ** বিদ্যুৎ যোগানৰ কাৰ্যদক্ষতা বৃদ্ধি তথা বিদ্যুৎ যোগান ব্যাহত হোৱা দিশটো নিৰাময়ৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে শক্তি বিভাগক কেন্দ্ৰীয় নিয়ন্ত্ৰণ কক্ষ স্থাপনৰ বাবে নিৰ্দেশ দিছে, যাতে ৰাজ্যখনৰ যিকোনো প্ৰান্তত হোৱা কাৰিকৰী অসুবিধাসমূহ তাৎক্ষণিকভাৱে চিনাক্ত কৰি সেই অনুসাৰে যথাবিহিত কাৰ্যব্যৱস্থা ল'ব পৰা যায়।

কালি ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত এই সম্পৰ্কে অনুষ্ঠিত এখন বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কাৰিকৰী অসুবিধাসমূহ তাৎক্ষণিকভাৱে অৱগত হৈ সেই দিশসমূহ নিৰাময়ৰ বাবে এক অত্যাধুনিক কেন্দ্ৰীয় নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰাটো অত্যন্ত জৰুৰী। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বাৰিষা কালত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত বহুসংখ্যক বৈদ্যুতিক সংস্থাপনেই কাৰিকৰী বিজুতিৰ সন্মুখীন হয় আৰু বিদ্যুৎ যোগান ব্যাহত হ'বলগীয়া হয়। অত্যাধুনিক কেন্দ্ৰীয় নিয়ন্ত্ৰণ কক্ষ স্থাপন হ'লে এই কক্ষই ৰাজ্যখনৰ সমগ্ৰ বৈদ্যুতিক সংস্থাপনসমূহৰ বিষয়ে অৱগত হৈ কোনোবা প্ৰান্তত যদি কিবা কাৰিকৰী বিজুতি হয় সেই সম্পৰ্কে তাৎক্ষণিকভাৱে কাৰ্যব্যৱস্থা গ্ৰহণেৰে জনসাধাৰণক অবিৰত ৰূপত বিদ্যুৎ যোগান নিশ্চিত কৰিব পাৰিব।

বৈঠকত মুখ্যমন্ত্ৰীয়ে এপিডিচিএল আৰু এপিজিচিএল-ৰ কাম-কাজ তথা আঁচনিসমূহৰ পৰ্যালোচনা কৰি সংশ্লিষ্ট কৰ্তৃপক্ষক সমগ্ৰ ৰাজ্যজুৰি আসোঁৱাহ থকা বিদ্যুৎ যোগান ব্যৱস্থাৰ এক বিস্তৃত জৰীপ চলাই সেইসমূহৰ বাবে নিৰাময়মূলক ব্যৱস্থা গ্ৰহণৰ বাবেও নিৰ্দেশ দিয়ে, যাতে অবাঞ্ছিত বিদ্যুৎস্পৃষ্টৰ দৰে দুৰ্ঘটনা ৰোধ কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে বানপ্ৰৱণ এলেকাসমূহত ট্ৰেন্সফৰ্মাৰসমূহ ওখ প্লেটফৰ্মত বহুওৱাৰ বাবেও এপিডিচিএলক নিৰ্দেশ দিয়ে। অবিৰত বৰষুণৰ পৰা ট্ৰেন্সফৰ্মাৰসমূহ সুৰক্ষাৰ দিশত উদ্ভাৱনীমূলক ব্যৱস্থা লোৱাৰ বাবেও মুখ্যমন্ত্ৰীয়ে এপিডিচিএলক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী আকাশদ্বীপ যোজনাৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে বিভাগক ৰাজ্যখনৰ সকলো হিতাধিকাৰীকে ক্ষিপ্ৰভাৱে এল ই ডি বাল্ব যোগানৰ ব্যৱস্থা ল'বলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে শক্তি বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মাক বিভাগত খালী হৈ থকা সকলোবোৰ পদ ক্ষিপ্ৰভাৱে পূৰণ কৰাৰ ব্যৱস্থা ল'বলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে চাহ বাগিচাৰ বাদ পৰি যোৱা আৱাসসমূহত ব্যক্তিগত মিটাৰ স্থাপন কৰাৰ ব্যৱস্থা ল'বলৈও নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, শক্তি বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মা, এপিডিচিএলৰ পৰিচালন সঞ্চালক ৰাকেশ আগৰৱালাকে ধৰি শক্তি বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**১৫/০২/২০২০**